অধ্যায় ১৩ ঃ ভাষাতত্ত্ব (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ভাষাতত্ত্ব শব্দৰ অর্থ

১৩.৪ ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সম্বন্ধ

১৩.৫ ভাষাতত্ত্বৰ বিষয়বস্তু

১৩.৬ সংস্কৃতভাষা আৰু ইয়াৰ ভাষাতত্ত্ব

১৩.৬.১ ভা-ৰোপীয় ভাষাৰ বৈশিষ্ট্যসমূহ আৰু সংস্কৃত

১৩.৬.২ ভা-ৰোপীয় ভাষাৰ বিভাগসমূহ

১৩.৬.৩ বৈদিক আৰু লৌকিক সংস্কৃতৰ প্ৰভেদ

১৩.৭ ভাষাতত্ত্বৰ প্ৰয়োজনীয়তা

১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৯ অধিক জানিবলৈ

১৩.১০ অগ্ৰগতিৰ খতিয়ান

১৩.১১ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাষাতত্ত্ব শব্দৰ বিস্তৃত অর্থৰ বিষয়ে অৱগত হ'ব পাৰিব
- ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত থকা পার্থক্য তথা সাদৃশ্যৰ বিষয়ে জানিব পাৰিব
- ভাষাতত্ত্বৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব
- ভাষাতত্ত্ব অধ্যয়নৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- ভাষাতত্ত্বৰ দিশৰ পৰা সংস্কৃত ভাষাৰ ইতিহাস সম্পর্কে জানিব পাৰিব
- ভাষাতত্ত্বৰ দিশৰ পৰা পৃথিৱীৰ আন কিছু পুৰণি ভাষাৰ লগত থকা সংস্কৃত ভাষাৰ সম্বন্ধৰ বিষয়ে অৱগত হ'ব পাৰিব।

১৩.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃতভাষাৰ ব্যাকৰণ, সাহিত্য, অলংকাৰ, ছন্দ আদিৰ বিষয়ে জানিছে। পৃথিৱীৰ প্ৰাচীনতম ভাষাসমূহৰ ভিতৰত অন্যতম হ'ল সংস্কৃত ভাষা। সংস্কৃত ভাষাৰ উৎপত্তি আৰু ইয়াৰ বিকাশৰ এটি বিশেষ ধাৰা দেখিবলৈ পোৱা যায়। সংস্কৃত ইতিহাস জানিবলৈ হ'লে

ইয়াৰ ভাষাতত্ত্বৰ বিষয়ে অধ্যয়ন কৰাটো নিতান্ত আৱশ্যকীয়। সংস্কৃত ভাষাৰ ভাষাতত্ত্ব জানিবলৈ হ'লে সাধাৰণভাবে ভাষাতত্ত্বৰ এটি অধ্যয়ন কৰাটোও অত্যন্ত প্ৰয়োজনীয়। ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত থকা সম্বন্ধৰ বিষয়ে জনাটোও এই ক্ষেত্ৰত প্ৰয়োজনীয়। তদুপৰি ভাষাতত্ত্ব অধ্যয়নৰ গুৰুত্বৰ বিষয়ে জানিলে ছাত্ৰ-ছাত্ৰীসকলে ভাষাগত অধ্যয়নৰ ফালে আকৃষ্ট হোৱাৰ সম্ভাৱনা থাকে। এই সম্পৰ্কীয় অধ্যয়নে সংস্কৃতবিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভাষাগত জ্ঞান বৃদ্ধি কৰিব। পৰৱৰ্তী সময়ত এই জ্ঞানে সংস্কৃত ভাষা সম্পৰ্কীয় বিভিন্ন দিশত কৰিবলগীয়া অধ্যয়নকাৰ্যত বিশেষ সহায়ক হ'ব। ইয়াৰ উপৰিও, ভাষাতত্ত্বৰ বিষয়ে কৰা সাধাৰণ আলোচনাই ছাত্ৰ-ছাত্ৰীসকলক ভাষা অধ্যয়নৰ নিয়মনীতিৰ বিষয়ে অৱগত কৰাব। এই অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলক ভাষাৰ ইতিহাসৰ বিষয়েও জনাব। বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকলে সংস্কৃতভাষাৰ ভাষাগত ইতিহাস তথা ভাষাগত পৰম্পৰাৰ লগত পৰিচিত হ'ব। এই সকলো উদ্দেশ্য আগত ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে বৰ্তমান অধ্যায়টো পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে। ভাষাতত্ত্বৰ প্ৰাৰম্ভিক আলোচনাই ছাত্ৰ-ছাত্ৰীসকলক পৰৱৰ্তী পৰ্যায়ত এই দিশত অধ্যয়নৰ ক্ষেত্ৰত আকৰ্ষিত কৰিব পাৰিব বুলি আশা কৰা হৈছে।

১৩.৩ ভাষাতত্ত্ব শব্দৰ অৰ্থ

আজিৰ পৃথিৱীত কোনোৱে ভাষা নথকাৰ কথা সপোনতো ভাবিব নোৱাৰে। ভাষা অবিহনে কোনেও স্পষ্টকৈ মনৰ ভাব ব্যক্ত কৰিব নোৱাৰে। কিন্তু ভাষাৰ উৎপত্তি এদিনৰ নহয়। মানৱসভ্যতাৰ ইতিহাসত হঠাতে আবিৰ্ভূত হোৱা বিষয় নহয়, এই ভাষা। ভাষাৰ উৎপত্তি, ব্যৱহাৰ তথা বিকাশৰ ক্ষেত্ৰত বহুতো স্তৰ যুক্ত হৈ আছে। বিভিন্ন স্তৰত বিভিন্নধৰণৰ বিষয়ৰ সংযোজন ভাষাৰ উৎপত্তি তথা বিকাশৰ বাট প্ৰশস্ত হৈছে। ভাষাতত্ত্বই আমাক ভাষাৰ ইতিহাস সম্পৰ্কে জ্ঞান দিয়ে। কিন্তু ভাষাতত্ত্ব শব্দৰ প্ৰায়োগিক অৰ্থ বিশ্লেষণ কৰিবলৈ গৈ বিভিন্ন পণ্ডিতে বেলেগ বেলেগ ধৰণে নিজৰ অভিমত ব্যক্ত কৰিছে। জেমছ টাৰণাৰে তেখেতৰ "ফিলল'জিঃ দি ফৰগটেন অৰিজিনছ অব্ মৰ্ডান হিউম্যানিটিছ" নামৰ গ্ৰন্থখনত ভাষাতত্ত্বৰ (Philosophy) বিষয়ে কৈছে যে ভাষাতত্ত্ব হ'ল ভাষাৰ বিভিন্ন দিশ তথা বৈশিষ্ট্যক লৈ কৰা আলোচনা। তেওঁ ভাষাতত্ত্বৰ সংজ্ঞা দিবলৈ গৈ কৈছে— the multifaced study of texts, languages, and the phenomenon of language itself' ল্যাটিন ভাষাত থকা ফিল'লজিয়া (Philologia) শব্দৰ পৰা ফিল'লজি শব্দটোৰ উৎপত্তি হৈছে আৰু ব্যুৎপত্তিগত অৰ্থ হ'ল জ্ঞানৰ প্ৰতি থকা ভালপোৱা বা আকৰ্ষণ (Love of learning)। কিন্তু ভাষাতত্ত্ব বা ফিল'লজি শব্দটোৱে বৰ্তমান ভাষাৰ ইতিহাসক বুজায় আৰু বহুসংখ্যক পণ্ডিতে সেইকাৰণে ভাষাতত্ত্বক ইতিহাসভিত্তিক ভাষাবিজ্ঞান বা ঐতিহাসিক ভাষাবিজ্ঞান (historical linguistic) বুলি ক'ব খোজে। কিছুসংখ্যক পণ্ডিতে ভাষাতত্ত্ব বা ফিল'লজি বুলি ক'লে ভাষাত ব্যৱহাৰ হোৱা শব্দৰ ইতিহাস তথা বিকাশৰ অধ্যয়নকে বুজায়। তেওঁলোকৰ মতে, 'philology is the study of words, especially the history and development of the words in a particular language or group of

languages। বহু ক্ষেত্ৰত ভাষাতত্ত্বত, একাধিক ভাষাৰ বিষয়ে কৰা তুলনামূলক আলোচনা দেখিবলৈ পোৱা যায়। আধুনিক পদ্ধতিত এই দিশটোক আকৌ তুলনামূলক ভাষাবিজ্ঞান (comparative linguistics) বুলি কোৱা হয়। আকৌ কিছু সংখ্যক পণ্ডিতে ভাষাতত্ত্বক সাহিত্যিক দৃষ্টিভংগীত কৰা ভাষাৰ অধ্যয়ন বুলি ক'ব খোজে— (the study of language from the literary point of view)।

এই আলোচনাৰ পৰা ক'ব পৰা যায় যে ভাষাতত্ত্ব বিষয়টোৱে ভাষাৰ অধ্যয়নক বুজায়। কিন্তু এই অধ্যয়নত নির্দিষ্ট ভাষাটোৰ উৎপত্তি আৰু বিকাশৰ ঐতিহাসিক ধাৰাটোক বিষয়বস্তু হিচাপে গ্ৰহণ কৰা হয়। তদুপৰি এই অধ্যয়নত কিছু পৰিমাণে এই ভাষাৰ সাহিত্যিক দিশটোকও সামৰি লোৱা হয়। যেতিয়া একাধিক ভাষাৰ ভাষাগত ইতিহাস তুলনামূলক দিশত আলোচিত হয় তেতিয়া তুলনামূলক ভাষাতত্ত্ব (Comparative Philology) বুলি অভিহিত কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষাতত্ত্ব শব্দৰ অর্থ কি ? (১০০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ২ ঃ ভাষাতত্ত্বৰ বিষয়ে পণ্ডিতসকলে দিয়া মতামতবোৰ আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

১৩.৪ ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সম্বন্ধ

ভাষাতত্ত্বৰ বাহিৰেও ভাষা-অধ্যয়নৰ আন এক বিশাল ক্ষেত্ৰ হ'ল ভাষাবিজ্ঞান (Linguistics)। ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত এটা গভীৰ সম্বন্ধ বিদ্যমান। কাৰণ দুয়োবিধ ক্ষেত্ৰতেই ভাষাকেই অধ্যয়নৰ কেন্দ্ৰবিন্দু হিচাপে ৰখা হয়। ভাষাতত্ত্বই ভাষাৰ ঐতিহাসিক প্ৰেক্ষাপটক অধ্যয়নৰ মূল আধাৰ হিচাপে লৈ আগুৱাই যায়। অর্থাৎ ভাষাৰ উৎপত্তি আৰু বিকাশৰ দিশটোক সম্পূৰ্ণভাৱে সামৰি লয় ভাষাতত্ত্বৰ ক্ষেত্ৰখনে। আনফালে ভাষাৰ বৈজ্ঞানিক অধ্যয়ন য'ত কৰা হয় সেয়াই ভাষাবিজ্ঞান। সেইকাৰণে ভাষাবিজ্ঞানক ভাষাৰ বিজ্ঞান বুলি কোৱা হয়। কিছু পণ্ডিতে কৈছে— 'General linguistics may be defined as the science of language.'

এইখিনিতে মনকৰিবলগীয়া বিষয়টো হ'ল যে ভাষাগত অধ্যয়নৰ প্ৰাথমিক ভেটি নির্ধাৰিত হয় ভাষাতত্ত্বৰ মাজেদি। ভাষাতত্ত্বৰ দিশৰপৰা এটা ভাষাৰ বা একাধিক ভাষাৰ উৎপত্তি আৰু বিকাশৰ ইতিহাস পোহৰলৈ আহে। এই অধ্যয়নে নির্দিষ্ট ভাষাটোক বা ভাষাবোৰক ভেটিৰ ফালে লৈ যায়। ভাষাৰ উৎপত্তি কোন ঠাইত হৈছিল, উৎপত্তিৰ পিছত এই ভাষাৰ কোন দিশে

গতি কৰিছিল, ভাষাৰ অব্যৱহিত পূৰ্বভাষা কি আছিল, নিৰ্দিষ্ট ভাষাটোৰ পৰা পৰৱৰ্তী পৰ্যায়ত কি কি ভাষাৰ উৎপত্তি হ'ল— এই সকলোখিনি সামৰি লয় ভাষাতত্ত্বৰ ক্ষেত্ৰখনে। আনফালে, মানিত ভাষাৰ শব্দ-অৰ্থ-শব্দাৰ্থসম্বন্ধ তথা বৰ্ণবিধি, ৰূপবিধি, বাক্যাৰ্থবোধবিধি— ইত্যাদিৰ বিষয়ে আলোচনা আগবঢ়াই লৈ যায় ভাষাবিজ্ঞানে। ভাষাবিজ্ঞানে নিৰ্দিষ্ট ভাষাটোৰ বৈজ্ঞানিক ভেটিটোক সুদৃঢ় কৰে। উৎপত্তি আৰু বিকাশৰ পিছত নিৰ্দিষ্ট ভাষাটোত কি কি প্ৰায়োগিক প্ৰক্ৰিয়া স্পষ্টৰূপত প্ৰকাশ পায় বা পৃথিৱীৰ আন আন ভাষাৰ দৰে কি কি বৈজ্ঞানিক প্ৰক্ৰিয়াত পৰিচালিত হয় উক্ত ভাষাৰ শব্দগঠনবিধি, অৰ্থবিশ্লেষণৰীতি, শব্দাৰ্থ সম্বন্ধ বিবেচন আদি কাৰ্যসমূহ— সেইবোৰৰ বিষয়ে আলোচনা কৰাই হ'ল ভাষা বিজ্ঞানৰ উদ্দেশ্য।

গতিকে তত্ত্বগতভাৱে ভাষাতত্ত্বই এটা ভাষাৰ বা একাধিক ভাষাৰ আৰম্ভণিৰ পৰ্যায়ৰ কথাখিনি আলোচনা কৰে কিন্তু ভাষাবিজ্ঞানে নিৰ্দিষ্ট ভাষাটোৰ বা ভাষাবোৰৰ আৰম্ভণিৰ পৰৱৰ্তী পৰ্যায়ত বৈজ্ঞানিক সমীকৰণৰ দিশটো পৰ্যালোচনা কৰে। কিন্তু দুয়োটা বিষয়তেই যেতিয়া একাধিক ভাষাক সমল হিচাপে লোৱা হয় তেতিয়া তাক তুলনামূলক ভাষাতত্ত্ব (Comparative Philology) আৰু তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics) বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত পাৰ্থক্য কি আলোচনা কৰক। (১০০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৪ ঃ তুলনামূলক ভাষাতত্ত্ব আৰু তুলনামূলক ভাষাবিজ্ঞান বুলিলে কি বুজায় আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

১৩.৫ ভাষাতত্ত্বৰ বিষয়বস্তু

ভাষাতত্ত্বৰ কেন্দ্ৰত সমল হিচাপে যিকোনো এটা নিৰ্দিষ্ট ভাষা বা একাধিক ভাষা থাকে। যিহেতুকে ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত কিছু নিৰ্দিষ্ট স্তৰ থাকে অথবা একেটা বৰ্গৰ ভাষাসমূহৰ মাজত ইতিহাস সম্বন্ধীয় সম্পৰ্ক থাকে সেইকাৰণে ভাষাতত্ত্বত বিষয়বস্তু হিচাপে এই সকলো বিষয় অন্তৰ্ভুক্ত কৰা হয়। পৃথিৱীত প্ৰায় সকলো মানিত ভাষাৰেই ভৌগোলিক, ঐতিহাসিক, সাংস্কৃতিক, সাহিত্যিক দিশবোৰ থাকে। নিৰ্দিষ্ট এটা ভাষাৰ উৎপত্তি তথা বিকাশৰ বিষয়ে জানিব গ'লে উক্ত দিশবোৰৰ অধ্যয়ন অত্যাৱশ্যক। তদুপৰি ভাষা-উৎপত্তিত এটা ক্ৰম থাকে আৰু সেইকাৰণে সকলো মানিত ভাষাৰেই 'পূৰ্বজ-ভাষা' (Parent language) অথবা পূৰ্বৰূপ (Earlier form) থাকে বুলি ভবা হয়। ইয়াৰ উপৰিও ভাষা গতিশীল হোৱা কাৰণে সহজেই

ভাষাৰ ক্ষেত্ৰত ভৌগোলিক স্থানপৰিৱৰ্তনৰ আভাস পোৱা যায়। ভাষা মানুহৰ জীৱনধাৰণৰ এটি অতি গুৰুত্বপূৰ্ণ অংগ। মানৱসভ্যতাৰ অগ্ৰগতিৰ বাটতেই ভাষাৰ জন্ম। সেইবাবে ভাষাৰ এটি সাংস্কৃতিক দিশও থাকে। তদুপৰি ভাষাৰ মাজেদিয়ে সাহিত্যৰ প্ৰকাশ ঘটে। গতিকে নিৰ্দিষ্ট ভাষাৰ এটি সাহিত্যগত দিশ থকাও পৰিলক্ষিত হয়। ভাষাতত্ত্বৰ বিষয়বস্তু হিচাপে এটা বা একাধিক ভাষাৰ উক্ত দিশসমূহক বিচাৰ কৰা হয়।

সেইকাৰণে ভাষাতত্ত্বত বিষয় হিচাপে এটা নিৰ্দিষ্ট ভাষা বা একাধিক ভাষাৰ উৎপত্তি তথা বিকাশৰ ধাৰা, সেই ভাষাৰ বা ভাষাবোৰৰ পূৰ্বজভাষাৰ সন্ধান তথা ভাষাপৰিয়ালৰ সন্ধান আৰু সিদ্ধান্ত, নিৰ্দিষ্ট ভাষাৰ বা ভাষাবোৰৰ ভৌগোলিক অৱস্থান তথা বিস্তাৰ, পূৰ্বজভাষাৰ লগত বৰ্তমানৰ নিৰ্দিষ্ট ভাষাটোৰ বা ভাষাবোৰৰ সংযোগসূত্ৰ নিৰ্ধাৰণ, পূৰ্বজভাষাৰ লগত নিৰ্দিষ্ট ভাষাটোৰ বা ভাষাবোৰৰ সাহিত্যিক সংযোগনিৰ্ধাৰণ, বৰ্গীকৃত ভাষাসমূহৰ এটি তুলনাত্মক অধ্যয়ন ইত্যাদি প্ৰসংগক সামৰি লোৱা হয়।

কিন্তু বহুতো পণ্ডিতে এই সকলোবিষয়ক ভাষাবিজ্ঞানৰ অংশ বুলি গ্ৰহণ কৰিব খোজে। আনফালে যিসকল পণ্ডিতে ভাষাতত্ত্বক ভাষাবিজ্ঞানৰ পৰা সম্পূৰ্ণ পৃথক কৰি ৰাখিব খোজে তেওঁলোকে ভাষাতত্ত্বত উক্তপ্ৰসংগসমূহকেই বিষয় হিচাপে উপস্থাপন কৰে।

১৩.৬ সংস্কৃত ভাষা আৰু ইয়াৰ ভাষাতত্ত্ব

আপোনালোকে ইতিমধ্যে জানিব পাৰিছে যে ভাষাতত্ত্বই এটা নিৰ্দিষ্ট ভাষাৰ বা কিছু ভাষাৰ ইতিহাস সম্বন্ধীয় আলোচনা আগবঢ়ায়। গতিকে কোনো এটা ভাষাৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে জনাৰ বাবে ভাষাতত্ত্বৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। আপোনালোকে এয়াও জানিছে যে সংস্কৃতভাষা পৃথিৱীৰ প্ৰাচীন ভাষাসমূহৰ ভিতৰত অন্যতম ভাষা। তদুপৰি এই ভাষাৰ উৎপত্তি আৰু বিকাশৰ কিছু নিৰ্দিষ্ট ধাৰা বৰ্তমান। পৃথিৱীৰ আন কিছুমান প্ৰাচীন ভাষাৰ লগতো আছে এই ভাষাৰ কিছু সাদৃশ্য। এই সাদৃশ্যবোৰ আলোচনা কৰি পণ্ডিতসকলে সংস্কৃত তথা একে বৰ্গৰ কিছু প্ৰাচীন ভাষাৰ মূল উদ্ধাৰনত সক্ষম হৈছে। সংস্কৃত ভাষাৰ বিষয়ে বিষশদভাৱে জানিব গ'লে উক্ত বিষয়ৰ অধ্যয়ন কৰাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰিও সংস্কৃত ভাষাৰ আন্তৰ্জাতিক ভাষিক ক্ষেত্ৰত থকা গুৰুত্বৰ বিষয়েও জ্ঞান দিয়ে ইয়াৰ ভাষাতত্ত্বৰ অধ্যয়নে। সেই কাৰণে বৰ্তমান অধ্যায়ত সংস্কৃত ভাষাৰ ভাষাতত্ত্বৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

সংস্কৃত ভাষাৰ ভাষাতত্ত্বৰ বিষয়ে ক'ব গ'লে প্ৰথমেই যিগৰাকী পণ্ডিতৰ নাম মনলৈ আহে তেওঁ হ'ল ছাৰ উইলিয়াম জোনছ্। উইলিয়াম জোনছ্দেৱে ১৭৮৬ চনত এটা ঐতিহাসিক ঘোষণা কৰিছিল। তেওঁ কৈছিল যে সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষাৰ মূল একেই যদিও সেই মূলৰ অস্তিত্ব বিচাৰি পোৱা প্ৰায় অসম্ভৱ। উইলিয়াম জোনছৰ এই ধাৰণাই সমগ্ৰ বিশ্বৰ ভাষাতত্ত্বৰ জগতত যথেষ্ট খলকনিৰ সৃষ্টি কৰে। বিভিন্ন ভাষাতত্ত্ববিদে এই দিশত নিজৰ নিজৰ অধ্যয়নৰ ক্ষেত্ৰখনক বিস্তৃত কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ অধ্যয়নপুষ্ট ধাৰণা আৰু অনুসন্ধানৰ ফলস্বৰূপে পৰৱৰ্তীসময়ত ভাষা-অধ্যয়ন ক্ষেত্ৰত তুলনামূলক ভাষাতত্ত্বৰ (Comparative

Philology) জন্ম হয়। বহুতো ভাষা-বিজ্ঞানী তথা ভাষাতত্ত্ববিদে তেওঁলোকৰ গৱেষণালব্ধ সিদ্ধান্ত সম্বলিত গ্ৰন্থ ৰচনা কৰি অধ্যয়নৰ উক্ত ক্ষেত্ৰখনক অধিক পৰিপুষ্ট কৰি তোলে। বপ্ (Bopp) দেৱে ঊনবিংশ শকিতাৰ প্ৰাথমিকভাগত (১৮৩৩-১৮৩৬) সংস্কৃত, গ্ৰীক, লেটিন, লিথুনিয়ান, গোথিক, জার্মান ভাষাৰ তুলনাত্মক ব্যাকৰণখন ৰচনা কৰি এই দিশত পণ্ডিতসকলৰ দৃষ্টি আকর্ষণ কৰে। প্ৰকৃততে এইখনে প্ৰথম ভাৰোপীয় (Indo-European) ভাষাৰ সম্পূৰ্ণ ব্যাকৰণ। এইখন আৰু এই ধৰণৰ গ্ৰন্থসমূহৰ পৰা সংস্কৃত ভাষাৰ ভাষাতত্ত্বগত ইতিহাসৰ বিষয়ে জনা যায়।

উইলিয়াম জোনছ্ দেৱে সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষাৰ একে মূল হিচাপে যি প্ৰাচীন ভাষাৰ অস্তিত্বৰ কথা ব্যক্ত কৰিছিল সেই ভাষাক পৰৱৰ্তী সময়ত ভা-ৰোপীয় (Indo-European) ভাষা বুলি নামকৰণ কৰা হৈছিল। বৰ্তমান সময়লৈকে এই ভাষাৰ অধ্যয়ন চলি আছে। বিভিন্ন সময়ত ভাষাতত্ত্বৰ অধ্যয়নত নতুন নতুন তথ্য আহি পৰিছে আৰু সকলোখিনি সন্নিৱিষ্ট হৈ আধুনিক যুগত ভা-ৰোপীয় ভাষাৰ ক্ষেত্ৰখনক বহল কৰি তুলিছে।

ভা-ৰোপীয় ভাষাৰ অন্যতম সদস্য হ'ল সংস্কৃত ভাষা। ভা-ৰোপীয় ভাষাৰ শতম্ গোত্ৰীয় বৰ্গৰ অন্তৰ্ভুক্ত কৰা হৈছে সংস্কৃত ভাষাক। আধুনিক সময়ত বিশ্বৰ সকলো ভাষা-পৰিয়ালৰ ভিতৰতে ভা-ৰোপীয় ভাষা পৰিয়ালৰ গুৰুত্ব স্বীকৃত হৈছে। সেই কাৰণে সংস্কৃত ভাষাৰ মহত্ত্বও সমগ্ৰ পৃথিৱীতেই ভাষা-অধ্যয়নৰ ক্ষেত্ৰত নির্ধাৰিত হৈছে। অবেস্তাভাষা, ফাৰছিভাষা, বেল্ট'ছ্লেভিকভাষা আৰু লিথুনিয়াম ভাষাৰ লগতে একেলগে সংস্কৃতভাষা বৰ্গীকৃত হৈছে শতম্ ভাগত। ভা-ৰোপীয় ভাষাপৰিয়ালৰ আন ভাগটো হ'ল কেণ্টুম্। এই ভাগত বৰ্গীকৃত হৈছে লেটিনভাষা, গ্ৰীকভাষা, কেল্টিকভাষা, তোখাৰীভাষা আৰু গথিক ভাষা। এই ভাষাসমূহৰ অধ্যয়নে ভা-ৰোপীয় ভাষা পৰিয়ালৰ ভেটিটোক সুদৃঢ় কৰি আহিছে বহুদিনৰ পৰাই।

সংস্কৃত ভাষাক ভা-ৰোপীয় ভাষাৰ উত্তৰসূৰী বুলি কোৱাৰ কিছু গুৰুত্বপূৰ্ণ কাৰণ আছে। এইখিনিতে কোৱা প্ৰয়োজন যে সংস্কৃতক ভাৰতীয় আৰ্যভাষাৰ (Indo Aryan) এটি ভাগ বুলি পণ্ডিতসকলে নির্ধাৰণ কৰিছে। ভাৰতীয় আৰ্যভাষা বুলিলে প্ৰায় ৩৫০০ বছৰ ধৰি ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা আৰ্যভাষাক বুজোৱা হয়। বৈদিক আৰু লৌকিক সংস্কৃতভাষা তথা পালি-প্ৰকৃতভাষা আৰু আধুনিক ভাৰতীয়ভাষাসমূহক একেলগে ভাৰতীয় আৰ্যভাষা বুলি অভিহিত কৰা হয়। সুবিধাৰ বাবে ভাষাতত্ত্ববিদসকলে ভাৰতীয় আৰ্যভাষাক তিনিটা স্তৰত বিভক্ত কৰিছে। যেনে, প্ৰাচীন ভাৰতীয়-আৰ্যভাষা (Old Indo Aryan Language - OIA), মধ্য ভাৰতীয় আৰ্যভাষা (Middle Indo Aryan Language- MIA) আৰু নব্য ভাৰতীয়-আৰ্যভাষা (New Indo Aryan Language-NIA)। প্ৰথম স্তৰত বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃত ভাষাক অন্তৰ্ভুক্ত হৈছে, দ্বিতীয় স্তৰত পালি-প্ৰাকৃত তথা অপভ্ৰংশক অন্তৰ্ভুক্ত কৰা হৈছে আৰু তৃতীয় স্তৰত অসমীয়া, বাংলা, ওৰিয়া আদি আধুনিক ভাষাক অন্তৰ্ভুক্ত কৰা হৈছে। এই সকলো স্তৰৰ ভাষাসমূহক লৈ গঠন কৰা ভাৰতীয় আৰ্যভাষাৰ মূল হিচাপে লোৱা হৈছে ভাৰোপীয় ভাষাক। যদিও এতিয়ালৈকে এই তত্ত্ব প্ৰকল্পিত (hypothetical) কিন্তু ইয়াৰ বিপৰীতে কোনো ধৰণৰ সাক্ষ্য প্ৰমাণ নথকা কাৰণে এয়া বৰ্তমানলৈকে এই ধাৰণাটো সৰ্বসম্মত ৰূপত গৃহীত হৈছে। কিন্তু

ভাৰতীয় আর্যভাষাৰ মূল হিচাপে গৃহীত ভা-ৰোপীয় ভাষাক পুনর্গঠন (Reconstructed) কৰা হৈছে। পুনর্গঠিত, প্রকল্পিত এই ভাষাৰ মূল বৈশিষ্ট্যবোৰ বৈদিক তথা লৌকিক সংস্কৃতত বহলভাৱে দেখা পোৱা যায়। যিহেতুকে ভা-ৰোপীয় ভাষাৰ বৈশিষ্ট্যবোৰৰ অধিকাংশই সংস্কৃত ভাষাত বর্তমান সেইকাৰণে সংস্কৃত ভাষাক ভা-ৰোপীয় ভাষাৰ এটা গুৰুত্বপূর্ণ উত্তৰসূৰী হিচাপে মানি লোৱা হৈছে। এই বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল।

১৩.৬.১ ভা-ৰোপীয় ভাষাৰ বৈশিষ্ট্যসমূহ আৰু সংস্কৃত

পুনর্গঠিত, প্রকল্পিত ভা-ৰোপীয় ভাষাৰ বৈশিষ্ট্যসমূহ হ'ল—

(ক) ভাষাগত বিভিন্ন অধ্যয়নৰ পিছত থিৰাং কৰা হৈছে যে ভা-ৰোপীয় ভাষাত হ্রস্ব-দীর্ঘ মাত্রযুক্ত স্বৰবর্ণ আৰু, কণ্ঠ্য, দন্ত্য আদি ব্যঞ্জনবর্ণৰ ব্যৱহাৰ হৈছিল।

(খ) ভা-ৰোপীয় ভাষাত স্বৰ-প্রক্রিয়াৰ (accent) ব্যৱহাৰ হৈছিল।

(গ) ভা-ৰোপীয় ভাষাত অপশ্রুতি (Ablaut) ৰ ব্যৱহাৰ হৈছিল।

(ঘ) ভা-ৰোপীয় ভাষাত সন্ধিৰ ব্যৱহাৰ হৈছিল।

(ঙ) ভা-ৰোপীয় ভাষাত শব্দৰূপ, ধাতুৰূপ আৰু কাৰক-বিভক্তিৰ ব্যৱহাৰ হৈছিল।

(চ) ভা-ৰোপীয় ভাষাত প্রকৃতি-প্রত্যয় তথা উপসর্গৰ ব্যৱহাৰ আছিল।

(ছ) সমাসৰ ব্যৱহাৰ ভা-ৰোপীয় ভাষা পৰিয়ালৰ এক উল্লেখযোগ্য বৈশিষ্ট্য আছিল।

ভা-ৰোপীয় ভাষাৰ সদস্য হিচাপে এই সকলো বৈশিষ্ট্যই সংস্কৃত ভাষাত বিদ্যমান। সংস্কৃত ভাষাত স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। স্বৰবর্ণৰ সংখ্যা ভা-ৰোপীয় ভাষাতকৈ সংস্কৃত ভাষাত কিছু কম হ'লেও ভা-ৰোপীয় ভাষাৰ উত্তৰসূৰীৰূপে সংস্কৃতক প্রমাণ কৰাৰ বাবে সেয়াই যথেষ্ট। একেদৰে ব্যঞ্জনবর্ণৰ ক্ষেত্রতো কিছু ভিন্নতা দেখিবলৈ পোৱা যায়।

বৈদিক সংস্কৃত ভাষাত ভা-ৰোপীয় ভাষাৰ দৰে স্বৰ-প্রক্রিয়া বর্তমান। উদাত্ত, অনুদাত্ত, স্বৰিত স্বৰৰ ব্যৱহাৰ বৈদিক মন্ত্রত দেখা যায়।

সংস্কৃত ভাষাত অপশ্রুতিৰ (Ablaut) ব্যৱহাৰ বহুল পৰিমাণে দেখিবলৈ পোৱা যায়। গুণ-বৃদ্ধি-সম্প্রসাৰণৰ মাজেদি সংস্কৃত ভাষাত স্বৰবর্ণৰ পৰিৱর্তন হোৱা দেখা যায়।

সংস্কৃত ভাষাত সন্ধিৰ ব্যৱহাৰ অত্যন্ত বেছি। স্বৰসন্ধি, ব্যঞ্জনসন্ধি, বিসর্গসন্ধি আদি ভাগেৰে সন্ধিক বিভক্ত কৰি সংস্কৃত ভাষা ব্যাকৰণত বিভিন্ন সূত্র বা নিয়ম সন্নিৱিষ্ট কৰা হৈছে।

সংস্কৃত ভাষাত কাৰক-বিভক্তি, শব্দৰূপ, ধাতুৰূপৰ অতিশয় প্রচলন দেখিবলৈ পোৱা যায়। কর্তৃ, কর্ম, কৰণ, সম্প্রদান, অপাদান আৰু অধিকৰণ— এই ছটা কাৰকৰ ব্যৱহাৰ সংস্কৃত ভাষাত দেখিবলৈ পোৱা যায়। প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, পঞ্চমী, ষষ্ঠী, সপ্তমী— এই সাতোটা বিভক্তিৰ ব্যৱহাৰ সংস্কৃত ভাষাত আছে। নৰ, লতা, নদী,

ফল আদি বিভিন্ন শব্দৰ বিভক্তি-বচন অনুসৰি ৰূপৰ বিভিন্নতা দেখিবলৈ পোৱা যায়। একেদৰে ভূ, গম্, পঠ্ আদি ধাতুৰ ক্ষেত্ৰতো পুৰুষ আৰু বচনৰ ভিত্তিত বেলেগ বেলেগ ৰূপ দেখিবলৈ পোৱা যায়।

সংস্কৃত ভাষাত প্ৰকৃতি, প্ৰত্যয় উপসৰ্গ আদিৰ ব্যৱহাৰ সৰ্বত্ৰ দেখিবলৈ পোৱা যায়। একেটা ধাতুৰ লগত বেলেগ বেলেগ প্ৰত্যয় বা উপসৰ্গ যুক্ত হৈ পৃথক পৃথক শব্দ সৃষ্টি কৰা হয়। সংস্কৃত ভাষাত গম্ধাতুৰ লগত ক্ত্বাচ্ প্ৰত্যয় যুক্ত হৈ গত্বা, তব্য প্ৰত্যয় যুক্ত হৈ গন্তব্য, অনীয়ৰ প্ৰত্যয় যুক্ত হৈ গমনীয়, ক্তপ্ৰত্যয় যুক্ত হৈ গত ইত্যাদি শব্দৰ উৎপত্তি হয়। একেদৰে গম্ ধাতুৰ আদিত আ-উপসৰ্গ যুক্ত কৰি আগতঃ, আগন্তব্যঃ, সম্-উপসৰ্গ সংযুক্ত কৰি সংগতঃ, সংগমনীয়ঃ — ইত্যাদি ৰূপৰ অৱতাৰণা কৰা হয়। এইদৰে সংস্কৃতভাষা প্ৰকৃতি-প্ৰত্যয় অন্বিত সংযোগাত্মক ভাষা হিচাপে প্ৰতিষ্ঠিত হৈছে।

সংস্কৃত ভাষাত সমাসৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে দেখিবলৈ পোৱা যায়। অব্যয়ীভাব, তৎপুৰুষ, বহুব্ৰীহি আৰু দ্বন্দ্বসমাসক মূল হিচাপে লৈ বহুধৰণৰ সমাসৰ ব্যৱহাৰ সংস্কৃত ভাষাত দেখিবলৈ পোৱা যায়।

এইদৰে নিৰীক্ষণ কৰি সহজেই এই সিদ্ধান্তত উপনীত হোৱা যায় যে সংস্কৃত ভাষাক ভা-ৰোপীয় ভাষা পৰিয়ালনৰ অধিকাংশ ভাষিক বৈশিষ্ট্যই উপস্থিত আছে। পৰৱৰ্তীসময়ত বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত কিছু পাৰ্থক্য আহিলেও সামগ্ৰিকভাৱে সংস্কৃতভাষাই ভা-ৰোপীয় ভাষাৰ ঐতিহ্য বহন কৰি আছে বুলি নিশ্চিতভাৱেই ক'ব পৰা যায়।

১৩.৬.২ ভা-ৰোপীয় ভাষাৰ বিভাগসমূহ

ইতিমধ্যে ছাত্ৰ-ছাত্ৰীয়ে অৱগত হৈছে যে সংস্কৃতভাষা ভা-ৰোপীয় ভাষাৰ শতম্ বৰ্গৰ অন্তৰ্গত। ভা-ৰোপীয় ভাষাৰ আন এটা বৰ্গ বা বিভাগ হ'ল কেন্তুম্। এই বিভাগ দুটা কিহৰ ভিত্তিত কৰা হৈছে বা সংস্কৃতভাষা কিয় শতম্ বৰ্গৰ অন্তৰ্ভুক্ত হৈছে সেই বিষয়ে ইয়াত আলোচনা কৰা হ'ব।

ভা-ৰোপীয় ভাষাৰ তালব্য বৰ্ণৰ উচ্চাৰণৰ প্ৰকাৰভেদৰ ওপৰত ভিত্তি কৰি এই ভাষাক শতম্ আৰু কেন্তুম্— এই দুটা ভাগত বিভক্ত কৰা হৈছে। অৰ্থাৎ ভা-ৰোপীয় পৰিয়ালৰ যিবোৰ ভাষাত 'শ'ৰ উচ্চাৰণ ব্যৱহাৰ হৈ শতম্ পদৰ ব্যৱহাৰ হোৱা দেখা গৈছে, সেই ভাষাসমূহক ভা-ৰোপীয় পৰিয়ালৰ 'শতম্' নামৰ বিভাগটোৰ অন্তৰ্ভুক্ত কৰা হৈছে। আনফালে ভা-ৰোপীয় ভাষাত ব্যৱহাৰ হোৱা 'এশ' (সংখ্যা) বুজোৱা শব্দত থকা আদি তালব্য বৰ্ণটো যিসকল ভাষাত 'ক'ৰ নিচিনাকৈ উচ্চাৰিত হৈছে— সেই ভাষাসমূহক 'কেন্তুম্' নামৰ বিভাগৰ অন্তৰ্ভুক্ত কৰা হৈছে। 'শতম্' বৰ্গৰ অন্তৰ্ভুক্ত ভা-ৰোপীয় পৰিয়ালৰ ভাষাসমূহ হ'ল সংস্কৃত, অবেস্তা, প্ৰাচীন ফাৰ্চী, এলবিনীয়, আৰ্মেনীয়, বাল্টিক আৰু ছ্লেভনিক ভাষা। আনফালে কেন্তুম বৰ্গৰ অন্তৰ্ভুক্ত ভাষাসমূহ

হ'ল গ্ৰীক, লেটিন, জাৰ্মান, কেল্টিক আৰু তোখাৰীয়।

এইখিনিতে মনকৰিবলগীয়া বিষয়টো হ'ল উক্ত দুই বিভাগৰ অন্তৰ্ভুক্ত ভাষাবোৰৰ ভৌগোলিক অৱস্থানৰ ফালে লক্ষ্য ৰাখি ক'ব পৰা যায় যে 'শতম্' বৰ্গৰ অন্তৰ্ভুক্ত ভাষাসমূহ এছিয়া মহাদেশৰ পূৰ্বভাগভিত্তিক আৰু 'কেন্তুম্' বৰ্গৰ অন্তৰ্ভুক্ত ভাষাসমূহ হ'ল ইউৰোপ মহাদেশৰ পশ্চিমভাগভিত্তিক। কিন্তু কেৱলমাত্ৰ তোখাৰীয়ভাষাৰ ক্ষেত্ৰত এই নিয়মৰ ব্যতিক্ৰম দেখা হৈছে। কাৰণ তোখাৰীয় ভাষা ভৌগোলিক দিশৰ পৰা পূৰ্বভাগৰ হৈও ভাষাগতভাৱে কেন্তুম্ বৰ্গৰ অন্তৰ্ভুক্ত হৈছে।

আধুনিককালত ভা-ৰোপীয় ভাষা-পৰিয়ালৰ এই বিভাগদুটাক সকলো ভাষাতত্ত্ববিদে স্বীকাৰ কৰি লৈছে।

১৩.৬.৩ বৈদিক আৰু লৌকিক সংস্কৃতৰ প্ৰভেদ

ভা-ৰোপীয় পৰিয়ালৰ অন্তৰ্গত সংস্কৃতভাষাত দুটা ৰূপ দেখিবলৈ পোৱা যায়, যেনে, বৈদিক সংস্কৃত আৰু লৌকিকসংস্কৃত। সংস্কৃতৰ এই দুটা ৰূপৰ মাজত কিছু ভাষাগত পাৰ্থক্য আছে। ভাষাতত্ত্ব অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে এই পাৰ্থক্যৰ বিষয়ে অবগত হোৱাটো বাঞ্ছনীয়। সেইকাৰণে এই অধ্যায়ত বৈদিক আৰু লৌকিক সংস্কৃতৰ মাজত থকা পাৰ্থক্যসমূহ দাঙি ধৰা হৈছে।

(ক) বৈদিক সংস্কৃতত স্ৱৰপ্ৰক্ৰিয়াৰ ব্যৱহাৰ হয় কিন্তু লৌকিক সংস্কৃতত এই প্ৰক্ৰিয়াৰ ব্যৱহাৰ হোৱা দেখা নাযায়।

(খ) বৈদিক সংস্কৃতত সংহিতাপাঠ আৰু পদপাঠৰ ব্যৱহাৰ হোৱা দেখা যায় কিন্তু লৌকিক সংস্কৃতত এনেকুৱা পাঠপ্ৰক্ৰিয়াৰ বিভিন্নতা দেখা নাযায়।

(গ) বৈদিক সংস্কৃতত ব্যৱহাৰ হোৱা ছন্দসমূহ সম্পূৰ্ণভাৱে সংখ্যাৰ ওপৰত নিৰ্ভৰশীল। তদুপৰি বৈদিক সংস্কৃতত মাত্ৰ সাতটা প্ৰধান ছন্দ পোৱা যায় যেনে— গায়ত্ৰী, উষ্ণিক্, অনুষ্টুপ্, বৃহতী, পংক্তি, ত্ৰিষ্টুভ্ আৰু জগতী। কিন্তু লৌকিক সংস্কৃতত অসংখ্য ছন্দৰ ব্যৱহাৰ দেখা পোৱা যায়।

(ঘ) লেট্-লকাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত বৈদিকসংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়। লৌকিক সংস্কৃতত এই লকাৰৰ ব্যৱহাৰ খুবেই সীমিত।

(ঙ) শব্দৰূপ আৰু ধাতুৰূপৰ বিষয়েও এই দুই ভাষাৰ মাজত কিছু প্ৰভেদ থকা পৰিলক্ষিত হয়।

(চ) উপসৰ্গ ব্যৱহাৰৰ ক্ষেত্ৰত বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত বিশাল পাৰ্থক্য দেখিবলৈ পোৱা যায়। লৌকিক সংস্কৃতত উপসৰ্গসমূহ ধাতুৰ ঠিক আগত ব্যৱহাৰ হয়। যেনে— আগতঃ (আ-গম্-ক্ত), সংহাৰ ঃ (সম্-হৃ-ঘঞ্), প্ৰণামঃ (প্ৰ-নম্-ঘঞ্) ইত্যাদি। কিন্তু বৈদিক সংস্কৃতত উপসৰ্গ ব্যৱহাৰৰ ক্ষেত্ৰত

নিয়মৰ শিথিলতা থকা দেখা যায়। বৈদিক সংস্কৃতত কেতিয়াবা উপসর্গ ধাতুৰ পিছতো বহে আৰু কেতিয়াবা উপসর্গ আৰু ধাতুযুক্ত শব্দৰ মাজত বেলেগ বহুতো শব্দৰ অন্তর্ভুক্তিও দেখিবলৈ পোৱা যায়। যেনে- মা নো ঘোৰেণ চৰতাভি ধৃষ্ণু (ঋগ্বেদ ঃ ১০.৩৪.১৪)— এই বাক্যত 'অভি' এই উপসর্গটো 'চৰ্' ধাতুযুক্ত শব্দৰ পিছত বহিছে। এইক্ষেত্রত পাণিনিৰ সূত্র হ'ল— ছন্দসি পৰেঽপি (১.৪.৮১) আকৌ বৈদিকসংস্কৃতত উপসর্গ আৰু ধাতুযুক্ত শব্দৰ মাজত আন শব্দ প্রয়োগৰ উদাহৰণ হিচাপে ক'ব পৰা যায়— আ যে তন্বন্তি ৰশ্মিভিঃ (ঋগ্বেদঃ ১.১৯.৮)। এই বাক্যত আ-উপসর্গ আৰু 'তন্বন্তি'— এই ধাতুযুক্ত পদৰ মাজত 'যে' পদটোৰ ব্যৱহাৰ হৈছে। এই প্রসংগত পাণিনিৰ সূত্র হ'ল 'ব্যৱহিতাশ্চ' (১.৪.৮.২)

(ছ) তুমুন্ প্রত্যয়ৰ ব্যৱহাৰৰ ক্ষেত্রতো বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত পার্থক্য দেখিবলৈ পোৱা যায়। বৈদিক সংস্কৃতত এই প্রসংগত বহু কেইটা ৰূপৰ ব্যৱহাৰ পোৱা যায় কিন্তু লৌকিক সংস্কৃতত তুমুন্ প্রত্যয়ৰ (অসমাপিকা ক্রিয়া) অর্থ বুজাবলৈ কেৱল এই প্রত্যয়বেই ব্যৱহাৰ হয়।

এইদৰে একেটা উৎসৰ পৰা আহিও বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতে বিভিন্ন ধৰণৰ ভিন্নতাক আকোৱালি লৈছে। প্রকৃততে বৈদিক সংস্কৃত ভাষাত ব্যাকৰণশাস্ত্রৰ বিধি-বিধানসমূহ ইমান কঠোৰ নাছিল। যাৰ বাবে ভাষাত সাৱলীলভাৱে প্রায়োগিক বিভিন্নতা প্রকাশ পাইছিল। কিন্তু লৌকিকসংস্কৃতৰ ক্ষেত্রত পাণিনিৰ ব্যাকৰণ গ্রন্থখনে কঠোৰ নিয়মসমূহ বান্ধি দিয়া বাবে এই ভাষাত ব্যাকৰণৰ কঠোৰ অনুশাসন দেখিবলৈ পোৱা যায়। তদুপৰি ভাষা সদায় গতিশীল সময়ৰ গতিত বৈদিক সংস্কৃতৰ বহুতো প্রয়োগ লাহে লাহে হেৰাই গৈছে বুলি চিন্তাৰ অৱকাশ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভা-ৰোপীয় ভাষাৰ ওপৰত এটি চমু টোকা লিখক। (১০০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৬ ঃ ভা-ৰোপীয় ভাষাপৰিয়ালৰ লগত সংস্কৃত ভাষাৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৬ ঃ বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

.....

১৩.৭ ভাষাতত্ত্বৰ প্ৰয়োজনীয়তা

শিক্ষাৰ্থীসকল ইতিমধ্যে ভাষাতত্ত্বৰ গুৰুত্ব বুজি পাইছে। ভাষাতত্ত্বই এটা নিৰ্দিষ্ট ভাষা বা কিছুসংখ্যক ভাষাৰ ঐতিহাসিক, সাহিত্যিক তথা উৎপত্তি আৰু বিকাশসম্বন্ধীয় দিশবোৰ আলোচনা কৰে। এটা ভাষাৰ জ্ঞানৰ সম্পূৰ্ণতাৰ বাবে ভাষাতত্ত্বৰ জ্ঞান অত্যন্ত প্ৰয়োজনীয়। এই জ্ঞানে ভাষাজ্ঞানৰ ভেটিটোক সুদৃঢ় কৰে। তদুপৰি ভাষাতত্ত্বৰ জ্ঞানৰ দ্বাৰা মানুহে এটা নিৰ্দিষ্ট ভাষা বা কিছুসংখ্যক নিৰ্দিষ্ট ভাষাৰ মাজত থকা সম্পৰ্কৰ বিষয়ে জানিব পাৰে। এই জ্ঞানে বিভিন্ন গোষ্ঠীৰ মাজৰ সম্পৰ্কক সুদৃঢ় কৰে। ইয়াৰ উপৰিও ভাষাতত্ত্বৰ জ্ঞানেৰে ভাষাবিজ্ঞানৰ অধ্যয়নও সঠিক দিশত আগবাঢ়ে।

উদাহৰণস্বৰূপে সংস্কৃতৰ কথা ল'ব পাৰি। সংস্কৃতভাষাৰ বিষয়ে ভাষাতত্ত্বৰ জ্ঞান থাকিলে গ্ৰীক আৰু লেটিনৰ নিচিনা পৃথিৱীৰ প্ৰাচীনভাষাসমূহৰ লগত সংস্কৃতভাষাৰ পূৰ্বসম্পৰ্কৰ বিষয়ে অবগত হোৱা যায়। এই ক্ষেত্ৰত কৰা অধ্যয়নে আন্তৰ্জাতিক ভাষিক ক্ষেত্ৰতো অৱিহণা আগবঢ়ায়। তদুপৰি ভাষাতত্ত্বৰ জ্ঞানেৰে সংস্কৃত শব্দবিলাকৰ উৎপত্তিৰ ইতিহাসও জানিব পাৰি। এই জ্ঞান আৰু অধ্যয়নে শিক্ষাৰ্থীসকলক ব্যাকৰণৰ দিশতো আগবঢ়াই লৈ যাব পাৰে।

ভাষাতত্ত্ব-ভাষাবিজ্ঞান-ব্যাকৰণ- এই তিনিটা দিশৰ অধ্যয়ন গভীৰভাৱে সম্পৰ্কিত। গতিকে ভাষাতত্ত্বৰ অধ্যয়ন অবিহনে আন দুই বিষয়ৰ অধ্যয়ন সম্পূৰ্ণ নহয় বুলি ক'ব পাৰি। অথচ, ভাষাৰ ক্ৰমবিকাশৰ দিশটো জনাৰ বাবেও ভাষাতত্ত্বৰ অধ্যয়ন প্ৰয়োজনীয়। ভাষাতত্ত্বই ভাষাৰ বৈজ্ঞানিক দিশৰ ভেটি স্থাপন কৰে। বৈজ্ঞানিক অধ্যয়নে পৃথিৱীৰ ভাষিক মানচিত্ৰত ভাষাৰ স্থান নিৰ্ধাৰণ কৰে। গতিকে এটা নিৰ্দিষ্ট ভাষা বা কিছুসংখ্যক নিৰ্দিষ্ট ভাষাৰ সৰ্বাংগীণ উন্নতিসাধনৰ বাবে ভাষাতত্ত্বৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়।



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত কৰা আলোচনাৰ পৰা আপুনি ভাষাতত্ত্বৰ অৰ্থৰ বিষয়ে জানিব পাৰিলে। ভাষা মনৰ ভাৱ ব্যক্ত কৰাৰ মাধ্যম হোৱাৰ উপৰিও ইয়াৰ এটা বৈজ্ঞানিক আৰু ঐতিহাসিক ক্ষেত্ৰ থাকে। এই অধ্যায়টিৰ পৰা আপুনি ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত থকা সম্বন্ধৰ

বিষয়ে জানিব পাৰিলে। ভাষাবিজ্ঞানে এটা ভাষাৰ বিভিন্ন উপাদানসমূহৰ বৈজ্ঞানিক দিশবোৰ আলোচনা কৰে। কিন্তু ভাষাতত্ত্বই এটা নির্দিষ্ট ভাষা বা কিছুসংখ্যক নির্দিষ্ট ভাষাৰ ঐতিহাসিক দিশটো আৰু সাহিত্যিক দিশটোৰ আলোচনা আগবঢ়ায়। উক্ত অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিলে যে ভাষাতত্ত্বই বহুতো ক্ষেত্ৰতে তুলনাত্মক আলোচনাৰ সমল দিয়ে। ইয়াৰ উপৰিও, সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষাৰ মূল ৰূপে ভা-ৰোপীয় ভাষাৰ কথাও আপুনি জানিলে। কেনেদৰে অতীতৰ দিশে অধ্যয়ন আগবঢ়াই লৈ ভা-ৰোপীয় ভাষাৰ পূণৰ্গঠিত ৰূপৰ উপস্থাপনা কৰা হৈছে আৰু এই ভাষাৰ লগত পৃথিৱীৰ বিভিন্ন ভাষাৰ সম্বন্ধ স্থাপন কৰা হৈছে সেই বিষয়েও আপুনি জানিব পাৰিলে। সংস্কৃত ভাষা ভা-ৰোপীয় ভাষাৰ অধিকাংশ বৈশিষ্ট্য বহন কৰি আছে— এই বিষয়েও আপুনি জানিব পাৰিলে। তদুপৰি বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃত ভাষাৰ মাজত থকা প্ৰভেদসমূহৰ বিষয়েও আপুনি অৱগত হ'ল। ভাষাতত্ত্বৰ প্ৰয়োজনীয়তাৰ বিষয়েও আপোনাৰ জ্ঞান হ'ল উক্ত অধ্যায়টিৰ পৰা। এই অধ্যয়নে আপুনি ভাষাবিষয়ক ক্ষেত্ৰত অথবা সংস্কৃত ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাব পাৰিব।



১৩.৯ অধিক জানিবলৈ

১) ফিল'লজি দি ফৰগ'টন অৰিজিন অব দি মর্ডান হিউমেনিটিছ, জেমছ্ টাৰনাৰ, প্রিণ্ছটন ইউনিভাৰ্ছিটি প্রেছ, প্রিণ্ছটন আই এছ বি এন।

২) এ হেণ্ডবুক অব্ সংস্কৃত ফিল'লজি, সত্যৰঞ্জন বেনার্জী, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলিকতা, ২০০০।



১৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন ভাষাতত্ত্ববিদে আগবঢ়োৱা ভাষাতত্ত্ব সম্বন্ধীয় মন্তব্যৰ পৰা উত্তৰটো লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৪.৩ অংশত দিয়া আলোচনাৰ পৰা উত্তৰটো লিখিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সংজ্ঞা লিখি দুয়োৰে মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ ভিত্তিত উত্তৰটো লিখিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৪.৪ অংশত দিয়া আলোচনাত কোৱা ধৰণে তুলনামূলক শব্দটোৰ বিষয়ে ব্যাখ্যা কৰি উত্তৰটো লিখিব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৪.৬.১ আৰু ১৪.৬.২ এই অংশ দুটাত থকা আলোচনাৰ পৰা উত্তৰটো লিখিব লাগিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাত থকা ভা-ৰোপীয় ভাষাৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰি 'শতম্' বৰ্গৰ ভাষা হিচাপে সংস্কৃতৰ অৱস্থিতিৰ বিষয়ে আলোচনা কৰিব লাগিব।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ১৪.৬.৩ অংশত দিয়া আলোচনাৰ পৰা কৰিব লাগিব।



১৩.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ভাষাতত্ত্ব শব্দৰ অৰ্থ বুজাই লিখক।

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ভাষাতত্ত্ব আৰু ভাষা বিজ্ঞানৰ সম্বন্ধ সম্পৰ্কে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ভাষাতত্ত্বৰ বিষয়বস্তুৰ সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ২ ঃ ভাষাতত্ত্বৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে বহলাই লিখক।

*** ***** ***